# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - -

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ফিজি ভ্ৰমণসূচী লৈ আজি নাদিত উপস্থিত হৈছে।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কৈছে যে, মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে।

৩। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰীয়ে কৈছে যে, গ্ৰামাঞ্চলত ভূমি পৰ্যায়ৰ ঋণ ২০১৪ বৰ্ষৰ ৭ দশমিক ৩ লাখ কোটি টকাৰ পৰা ২০২৪ বৰ্ষত ২৫ দশমিক ৪-৬ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

৪। জম্মু-কাশ্মীৰত পৱিত্ৰ অমৰনাথ যাত্ৰা সুৰক্ষাজনিত কাৰণত এদিনৰ বাবে বন্ধ কৰা হৈছে। উল্লেখযোগ্য যে আজিৰ দিনটোতেই ৫ বছৰ পূৰ্বে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰা হৈছিল।

**আৰু**

৫। পেৰিছ অলিম্পিকত আজি বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৭৪ সংখ্যক মৃত্যু তিথিৰ সৈতে সংগতি ৰাখি আজি লোককল্যাণ দিৱসৰ আয়োজন কৰা হয়। ২০২২ বৰ্ষৰ পৰা অসম চৰকাৰে এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি আহিছে। ইয়াৰ দ্বাৰা বৰদলৈৰ জীৱন, কৰ্মৰাজী, ৰাজনৈতিক দৰ্শন আৰু নেতৃত্ব দানৰ ক্ষমতাক আলোকপাত কৰি নৱপ্ৰজন্মক এই গুণসমূহ আহৰণ কৰাৰ আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি পাণবজাৰৰ নেহৰু পাৰ্কত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোককল্যাণ দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰীয়ে বৰদলৈৰ প্ৰতিমূৰ্তিৰ মাল্যাৰ্পণ কৰি দিয়া ভাষণত নেতাগৰাকীৰ সপোনৰ অসমখনত বাস্তৱায়িত কৰিবলৈ সংকল্পবদ্ধ বুলি মন্তব্য কৰে। এই অনুষ্ঠানত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি লোককল্যাণ দিৱস উপলক্ষে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱা আগবঢ়োৱা ১৮ গৰাকী প্ৰশাসনিক বিষয়ালৈ মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা আৰু ১০ গৰাকী ৰাজ্যিক তথা ৩৭ গৰাকী জিলা পৰ্যায়ৰ অৰাজপত্ৰিত বিষয়ালৈ লোকসেৱা বঁটা আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদান কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আদৰ্শৰাজীৰে উদ্বুদ্ধ হ'বলৈ সকলোকে আহ্বান জনায়।

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোককল্যাণ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। ইপিনে বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আজি এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভাৰ আয়োজন কৰা হয়।

ধুবুৰী জিলাৰ আয়ুক্তৰ কাৰ্যালয়তো আজি লোককল্যাণ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অনুষ্ঠানত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট জিলাত আয়োজিত এই দিৱসৰ অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্তই বৰদলৈৰ জীৱন, আদৰ্শ তথা কৰ্ম জীৱনৰ বিষয়ে আলোকপাত কৰে। এই অনুষ্ঠানত গোলাঘাট জিলাৰ পৰা লোককল্যাণ বঁটা লাভ কৰিবলৈ সমৰ্থ হোৱা চাৰিগৰাকী ব্যক্তিক অভিনন্দন জ্ঞাপন কৰা হয়। চৰাইদেউ, লখিমপুৰ, তিনিচুকীয়া, মাজুলী আৰু শোণিতপুৰকে ধৰি অন্যান্য জিলাসমূহতো আজি এই দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিভিন্ন স্থানত অনিৰ্দিষ্টকালৰ বাবে সান্ধ্য আইন জাৰি কৰাৰ লগতে মোবাইল ইণ্টাৰনেট সেৱাও বন্ধ কৰা হৈছে। জানিব পৰা মতে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি এখন সেনাৰ হেলিকপ্টাৰযোগে দেশ এৰি উৰা মাৰিছে। দেশখনৰ সেনাপ্ৰধান ৱাকাৰ উজ জামানে টেলিভিছনযোগে দেশৰ জনসাধাৰণক সম্বোধি তাৎক্ষণিকভাৱে দেশখন পৰিচালনাৰ বাবে এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা হ'ব বুলি ঘোষণা কৰিছে। সেনাপ্ৰধানগৰাকীয়ে কয় যে, তেওঁ সম্পূৰ্ণ দায়িত্বসহকাৰে এই অন্তৰ্বৰ্তী চৰকাৰ গঠন সন্দৰ্ভত ৰাষ্ট্ৰপতিৰ সৈতে আলোচনা কৰিব। বাংলাদেশৰ সেনাপ্ৰধানগৰাকীয়ে জনসাধাৰণক ধৈৰ্য সহকাৰে শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। বাংলাদেশৰ সংবাদমাধ্যমত প্ৰকাশ পোৱা তথ্য অনুসৰি অসংখ্য প্ৰতিবাদকাৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী বাসভৱন, গণভৱন ঘেৰাও কৰি পেলোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে সুৰক্ষিত স্থান অভিমুখে ৰাওনা হৈছে। উল্লেখযোগ্য যে কালি দেশখনত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত লগা সংঘৰ্ষত কমেও ১০০ জন লোক নিহত হোৱাৰ লগতে সহস্ৰাধিক লোক আহত হৈছে। ছাত্ৰসকলে ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সংগ্ৰামী সকলৰ পৰিয়াল বা আত্মীয়ৰ বাবে চৰকাৰী চাকৰিত ৩০ শতাংশ সংৰক্ষণৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰতিবাদকাৰীসকলে এই সংৰক্ষণ ব্যৱস্থা বৈষম্যমূলক বুলি অভিযোগ তোলাৰ লগতে এই ব্যৱস্থাই প্ৰধানমন্ত্ৰী হাছিনাৰ আৱামী লীগ পাৰ্টিৰ সমৰ্থকসকলহে উপকৃত কৰি আহিছিল বুলি অভিযোগ উত্থাপন কৰিছিল। তেওঁলোকে এই সংৰক্ষণৰ পৰিৱৰ্তে মেধাভিত্তিক নিযুক্তি ব্যৱস্থাৰ দাবী তুলিছিল। ১৯৭২ চনত প্ৰৱৰ্তন কৰা এই সংৰক্ষণ ব্যৱস্থা ২০১৮ চনত প্ৰত্যাহাৰ কৰা হৈছিল যদিও দেশৰ উচ্চ ন্যায়ালয়ৰ এটা নিৰ্দেশমৰ্মে এমাহ পূৰ্বে পুনৰ এই ৩০ শতাংশ বাহাল ৰাখিবলৈ কোৱাৰ প্ৰস্তাৱে প্ৰতিবাদৰ সূত্ৰপাত হৈছিল। উচ্চতম ন্যায়ালয়ে যোৱা ২১ জুলাইত এই সংৰক্ষণ ৫ শতাংশলৈ হ্ৰাস কৰাৰ ফলত প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখা হৈছিল যদিও চৰকাৰে তেওঁলোকৰ সকলো নেতাক মুকলি কৰি দিয়াৰ আহ্বান আওকান কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে প্ৰধানমন্ত্ৰীৰ পদত্যাগৰ দাবী তোলে।

ইফালে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। একেদৰে মুৰ্চিদাবাদৰ উন্মুক্ত সীমান্তত চোকা দৃষ্টি ৰখা হৈছে। পদ্মাৰ লগতে অন্যান্য নদী সীমান্তত বি এছ্ এফে চোকা পহৰা অব্যাহত ৰাখিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ফিজি ভ্ৰমণসূচী লৈ আজি নাদিত উপস্থিত হৈছে। এয়া হৈছে কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো ফিজি ভ্ৰমণ। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক নাদিত উপস্থিত হোৱাৰ

পাছত ফিজিৰ উপ প্ৰধানমন্ত্ৰী ৰিলিয়েম গাৰ'কা আৰু ফিজিৰ ভাৰতীয় উচ্চায়ুক্ত পি এছ্ কাৰ্থিগিয়ানে আদৰণি জনায়।

ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজিৰে পৰা ৭ আগষ্টলৈ ফিজি ভ্ৰমণ কৰিব। বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে কৈছে যে, এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কক অধিক সুদৃঢ় কৰিব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে ফিজিৰ ৰাজধানী ছুৱাত দেশখনৰ ৰাষ্ট্ৰপতি কাটনিভেৰে আৰু প্ৰধানমন্ত্ৰী চিটীভেনি ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ছুৱাৰ গান্ধী মেম'ৰিয়েল কলেজ পৰিদৰ্শন কৰাৰ লগতে নাদিৰ শ্ৰী শিৱা সুব্ৰমনিয়া স্বামী মন্দিৰো দৰ্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মুৱে ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তদুপৰি তেওঁ অ'কলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত  টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাজধানীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণে ভাৰতৰ পূৰ্বৰ নীতিত গতি প্ৰদান কৰিব তথা দক্ষিণ পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপৰ নীতি সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ooooo

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি অসম আৰু মেঘালয় কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা আৰু ভাৰতীয় বন সেৱাৰ সম্প্ৰতি নতুন দিল্লীত থকা বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাকালত বিষয়াসকলে অসমৰ ৰাজ্যপাল হিচাপে নিযুক্ত হোৱাৰ বাবে শ্ৰী আচাৰ্যক অভিনন্দন জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে বিষয়াসকলক বিভিন্ন চৰকাৰী আঁচনি যেনে- প্ৰধানমন্ত্ৰী আৱাস যোজনা, জলজীৱন মিছন আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ দৰে আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে প্ৰশংসা কৰে। তেওঁ কয় যে, দৰিদ্ৰ হিতাধিকাৰীসকলৰ সুবিধা হোৱাকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা কেন্দ্ৰীয় সাহায্যৰে ৰূপায়ণ কৰা হৈছে। এই আঁচনি সফল কৰি তোলাৰ ক্ষেত্ৰত বিষয়াসকলে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি তেওঁ কয়। আনহাতে জলজীৱন মিছনৰ দ্বাৰা গ্ৰামাঞ্চলৰ পৰিয়ালসমূহত নলযোগে খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ২০৩০ চনত ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সমান্তৰালভাৱে চৰকাৰে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'বলৈ বিষয়াসকলক নিষ্ঠাৰে কাৰ্য সম্পাদন কৰিবলৈ ৰাজ্যপালগৰাকীয়ে আহ্বান জনায়। এই বৈঠকত দেশৰ লগতে অসমৰ উন্নয়ন সম্পৰ্কীয় পৰিকল্পনাসমূহৰ বিষয়ে আলোচনা কৰা হয়।

ooooo

পেৰিছ্ অলিম্পিকত আজি মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মহিলা দলক ৩-২ত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে শ্বুটিঙত স্কিট মিক্সড দলীয় শাখাত মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকা ব্যৰ্থ হৈছে। যুটীটোৱে চীনৰ প্ৰতিপক্ষৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে খেলত অৱতীৰ্ণ হৈছে। ইফালে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হৈছে। কালিৰ ছেমি ফাইনেলত লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত ২০-২২, ১৪-২১ পোনপটীয়া

ছেটত পৰাজয় বৰণ কৰে। উল্লেখযোগ্য যে, অলিম্পিকত ছেমি ফাইনেল পৰ্যায়ত খেলা লক্ষ্য সেন হৈছে ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বেডমিণ্টন খেলুৱৈ। এথলেটিছত দুগৰাকী খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিব। এছিয়ান গেমছত সোণৰ পদক লাভ কৰা অবিনাশ চাবলে ৩ হাজাৰ মিটাৰ ষ্টেপলচেজ ফাইনেলৰ বাবে অৰতীৰ্ণ হোৱাৰ বিপৰীতে কিৰণ পাহালে মহিলাৰ ৪০০ মিটাৰৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। মল্লযুঁজৰ মহিলাৰ ৬৮ কিলোগ্ৰাম শাখাত নিশা দাহিয়াই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

গুৱাহাটী মহানগৰীত আজি বিয়লিৰ ভাগত অহা এজাক ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল প্লাৱিত হৈছে। মহানগৰীৰ চানমাৰি, শিলপুখুৰী, জুৰোড, গণেশগুৰিকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যোৱাৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হৈছে। ঠায়ে ঠায়ে পানী জমা হোৱাৰ ফলত যান-বাহনৰ চলাচলত জটিলতাৰ সৃষ্টি হোৱাৰ লগতে ভীষণ যান-জঁটৰ সমস্যাই দেখা দিছে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কৈছে যে, মোদী চৰকাৰে স্বাস্থ্য খণ্ডক অগ্ৰাধিকাৰ দিছে। লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত অনুদানৰ দাবী সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, ২০১৩-১৪ বৰ্ষৰ ৩৩ হাজাৰ ২৭৮ কোটি টকাৰ বাজেট আৱণ্টন ২০২৪ বৰ্ষত ৯০ হাজাৰ ৯৫৮ কোটিলৈ অৰ্থাৎ ১৬৪ শতাংশ বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয় যে, মুঠ বাজেটৰ ৫৫ শতাংশ ধন ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জৰিয়তে ব্যয় কৰা হয়। চৰকাৰে ক্ৰমান্বয়ে স্বাস্থ্য বাজেট বৃদ্ধি কৰি আছে আৰু বৰ্তমান ই মুঠ ঘৰুৱা উৎপাদনৰ ১ দশমিক ৯ শতাংশ স্পৰ্শ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। প্ৰাথমিক স্বাস্থ্য সেৱা আৰু তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা পৰ্যায়ৰ আন্তঃগাঁথনিৰ সন্দৰ্ভত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয় যে, মোদী চৰকাৰৰ অধীনত মুঠ ২২ খন এইমছৰ অনুমোদন কৰা হয় যাৰ ভিতৰত ১৮খন বৰ্তমান কাৰ্যক্ষম আৰু চাৰিখনৰ নিৰ্মাণকাৰ্য চলি আছে।

ooooo

চলিত বৰ্ষত তিনিচুকীয়া জিলাৰ পৰা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকলৰ বাবে তিনিচুকীয়া সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী সঞ্জয় কিষাণৰ ব্যক্তিগত প্ৰচেষ্টাত বিনামূলীয়া এমহীয়া প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। প্ৰশিক্ষাৰ্থীসকলক তিনিচুকীয়াৰ বিধায়ক কাৰ্যালয়ৰ ঠিকনাত যোগাযোগ কৰি নথি-পত্ৰসমূহ জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। আনহাতে অনলাইন গুগল ফৰ্ম পূৰণ কৰিও আবেদন কৰিব পাৰিব বুলি কোৱা হৈছে।

ooooo

ডিব্ৰুগড় জিলা প্ৰশাসনে জিলাখনত মেলেৰীয়া, ডেংগী, জাপানীজ এনচেফেলাইটিছ আদি ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশত স্বাস্থ্য বিভাগে জিলাখনৰ বিভিন্ন স্থানত ধোঁৱা দিয়াৰ লগতে লাউড স্পীকাৰযোগে সজাগতাৰ সৃষ্টি কৰিছে। বিশেষকৈ বজাৰ, গ্ৰামাঞ্চল, চাহ-বাগিচা এলেকা, পানী জমা হোৱা দ অঞ্চল আদিত এনে ব্যৱস্থা কৰা হৈছে।

ooooo

যোৱা ২ আগষ্টৰ পৰা অব্যাহত থকা শোণিতপুৰ জিলা দিৱসৰ কাৰ্যসূচী অনুসৰি আজি জিলাখনৰ চাৰিটা শিক্ষাখণ্ডৰ অন্তৰ্গত ৪০খন বিদ্যালয়ত শ্ৰমদান কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৮ বজাত তেজপুৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আয়োজিত এই কাৰ্যসূচী বিধায়ক পৃথ্বীৰাজ ৰাভাই উদ্বোধন কৰে। তেওঁ

উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীকে ধৰি সকলোকে এখন আটকধুনীয়া বিদ্যালয় গঢ়ি তোলাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

ooooo

কামৰূপ জিলাৰ দদৰা-দলিবাৰী পছৰীয়া অঞ্চলত ১৬৬৯ চনত হোৱা আলাবৈ ৰণৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আহোম আৰু মোগল সাম্ৰাজ্যৰ মাজত ১৬৬৭ চনত আৰম্ভ হোৱা তৃতীয়লানি যুদ্ধৰ ঐতিহাসিক অংশ হিচাপে পৰিগণিত এই ৰণৰ কিছুদিনৰ পাছতেই ১৬৭১ চনত বিখ্যাত শৰাইঘাটৰ যুদ্ধ হৈছিল। শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিক গুৰুত্বৰ সমানেই আলাবৈৰ ৰণেও অসমীয়া সেনাৰ সাহস আৰু বলিদানৰ কথাকে প্ৰতীয়মান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ৰণত প্ৰাণ আহুতি দিয়া ১০ হাজাৰ অসমীয়া সেনাৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, এই ৰণ আছিল মোগল সাম্ৰাজ্য সম্প্ৰসাৰণৰ যুঁজৰ বিপৰীতে অসমীয়াৰ জাতি ৰক্ষাৰ সংগ্ৰাম। ৰাজ্য চৰকাৰে অসম বুৰঞ্জীৰ প্ৰতিটো সোণালী পৃষ্ঠাত বিশ্বজুৰি প্ৰসাৰ কৰাৰ বাবে অহৰহ চেষ্টা চলাই যাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও আজি এই ৰণৰ স্মৃতি দিৱস উপলক্ষে বীৰ সেনানীসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

ooooo

চিৰাং জিলাৰ বেংতলত আজি ইউ পি পি এল দলৰ নৰম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। দলৰ সভাপতি তথা বি টি চিৰ মুখ্য কাৰ্যবাহী সহস্য প্ৰমোদ বড়োৰ পৌৰোহিত্যত অনুষ্ঠিত এই দিৱসৰ মুকলি সভাত ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত ভাষণ দি মন্ত্ৰী শ্ৰী বৰাই কয় যে, আঞ্চলিক দল শক্তিশালী হোৱা মানেই ৰাজ্যৰ লগতে বি টি আৰৰ স্বাৰ্থ সুৰক্ষিত হোৱা। তেওঁ কয় যে, অসমৰ সকলো জাতি-জনগোষ্ঠীৰ স্ব-অধিকাৰ  সুৰক্ষিত হ'লেহে ৰাজ্যই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিব। অনুষ্ঠানত ইউ পি পি এল দলৰ প্ৰতিষ্ঠাপক সভাপতি উৰ্খাও গৌৰা ব্ৰহ্মই ভাষণ দি কয় যে, বিগত চাৰি বছৰত বি টি আৰত জনসাধাৰণ ন্যায় আৰু শান্তি পাইছে আৰু এই দলক শাসনৰ সুবিধা দিলে অঞ্চলটো অধিক উন্নত হ'ব। মুকলি সভাত বি টি আৰ প্ৰধান প্ৰমোদ বড়োৱে বি টি আৰ চুক্তিৰ জৰিয়তে শান্তি প্ৰতিষ্ঠা সম্ভৱ হৈছে বুলি মন্তব্য কৰে।  তেওঁ লগতে কয় যে, যোৱা দুবছৰত বি টি আৰত এক লাখ ৪২ হাজাৰ পৰিয়ালৰ ভূমিৰ সমস্যা সমাধান হৈছে আৰু বৈসুমতি আঁচনিৰ জৰিয়তে ভৱিষ্যতে ৬০ লাখ আবেদনৰ হকে কাম কৰিব বুলি মন্তব্য কৰে। সভাত প্ৰাক্তন বিধায়ক কমল সিং নাৰ্জাৰী, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষ ৰমাকান্ত ৰাভা আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সমাপ্ত